**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 06-03-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::***

মাজুলী আৰু যোৰহাট সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰৰ দুইলেনযুক্ত দলংখনৰ নিৰ্মাণ কাৰ্য শীঘ্ৰে পুনৰ আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত এই কথা উল্লেখ কৰিছে। বাৰ্তাটোত তেওঁ লগতে কয়, যে আজি পথ যোগাযোগ আৰু ঘাইপথ মন্ত্ৰালয়ৰ ব্যয় বিত্ত সমিতিয়ে প্ৰায় ৭০০ কোটি টকাৰ সংশোধিত ব্যয় আকলনৰ অনুমোদন জনাইছে। পৰৱৰ্তী পদক্ষেপ হিচাপে শীঘ্ৰেই নিবিদা আহ্বান কৰা হ'ব বুলিও বাৰ্তাটোত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উল্লেখ কৰে।

০০০০

অসম এতিয়াৰে পৰা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত কেৱল ঐতিহ্যপূৰ্ণ চাহৰ বাবেই নহয় ছেমি কণ্ডাক্টৰ উদ্যোগৰ বাবেও পৰিচিত হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এই বছৰৰ শেষৰ ফালে জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পত কাম-কাজ আৰম্ভ হ'ব।

মুখ্যমন্ত্ৰীয়ে লগতে কয়, যে কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰ্বাঞ্চলত ১ লাখ কোটি টকা ব্যয়েৰে পথ আন্তঃগাঁথনি নিৰ্মাণ কৰি আছে। এই বছৰৰ ছেপ্তেম্বৰৰ ভিতৰত গুৱাহাটী বিমান বন্দৰক দেশৰ অন্যান্য মুখ্য মহানগৰীসমূহৰ বিমান বন্দৰৰ লেখিয়াকৈ অত্যাধুনিক সা-সুবিধাৰে সাজু কৰি তোলা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০

ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে অনুষ্ঠিত লিখিত পৰীক্ষাৰ ফলাফল আজি নিশা ১২ বজাত ঘোষণা কৰা হ'ব। ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ সচিবে জাৰি কৰা জাননী অনুসৰি প্ৰাৰ্থীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবছাইট www.site.sebaonline.org আৰু অসম চৰকাৰৰ ৱেবছাইট www.assam.gov.in যোগে নিজৰ ফলাফলসমূহ চাব পাৰিব। ১২ মাৰ্চত অসম আৰক্ষীৰ কনিষ্টবল পদৰ আৰু ২৭ মাৰ্চত অসম আৰক্ষীৰ কামাণ্ডো বেটেলিয়নৰ কনিষ্টবলৰ বাবে হোৱা নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব।

আজি অসম আৰক্ষীৰ ২০২টা উপ-পৰিদৰ্শক পদ আৰু অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনীৰ এটা সহকাৰী উপ নিয়ন্ত্ৰক পদৰ  লিখিত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছে।

০০০০

চৰাইদেউ জিলাৰ সোণাৰি পৌৰ সভাৰ অন্তৰ্গত এলেকাসমূহত অনাদায় হৈ থকা কৰ সংগ্ৰহৰ বাবে জিলা আয়ুক্তই এখন বিশেষ সমিতি গঠন কৰিছে। আয়ুক্ত ডাঃ নেহা যাদৱে জাৰি কৰা নিৰ্দেশ মৰ্মে সহকাৰী আয়ুক্ত, সোণাৰি পৌৰসভাৰ কাৰ্যবাহী বিষয়াৰ লগতে সংশ্লিষ্ট বিষয়াসকলক লৈ এই সমিতিখন গঠন কৰা হৈছে। আয়ুক্তগৰাকীয়ে সমিতিখনক শীঘ্ৰেই কাম-কাজ আৰম্ভ কৰিবলৈ নিৰ্দেশ দিছে।

০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২৩ সংখ্যক দিক্ষান্ত সমাৰোহ অহা ১১ মাৰ্চত অনুষ্ঠিত হ'ব। এই সমাৰোহত অসমৰ সমাজ, ভাষা, সংস্কৃতিৰ ক্ষেত্ৰলৈ বিশেষ অৱদান আগবঢ়োৱা বিশিষ্ট শিক্ষাবিদ নাহেন্দ্ৰ পাডুনক সন্মানীয় ডি-লিট আৰু বিশিষ্ট প্লাজমা বিজ্ঞানী ড০ জয়ন্তী চুতীয়াক ডি এছ্‌ চি সন্মানেৰে সন্মানিত কৰা হ'ব। আমেৰিকাৰ স্বাস্থ্য-গৱেষণা সংস্থাৰ উপদেষ্টা হিচাপে নিযুক্তি লাভ কৰা প্ৰথম গৰাকী অসমীয়া, ডাটা আধুনিকীকৰণ আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ বিশেষজ্ঞ তথা খ্যাতনামা চুটি ছবি নিৰ্মাতা ড০ ৰূপম শৰ্মাই এই সমাৰোহত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিব। ডিব্ৰুগড় বিশ্ববিদ্যালয় কৰ্তৃপক্ষই আজি এই কথা জানিবলৈ দিছে।

০০০০

চৰাইদেউ জিলা পথ সুৰক্ষা সমিতিৰ চলিত বছৰৰ দ্বিতীয়খন বৈঠক আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। এই বৈঠকত জিলাখনত পথ দুৰ্ঘটনা ৰোধৰ বাবে গ্ৰহণ কৰিবলগীয়া আগতীয়া ব্যৱস্থা সন্দৰ্ভত আলোচনা কৰা হয়। এই বৈঠকত পথ সুৰক্ষা সমিতিৰ অংশীদাৰ হিচাপে থকা প্ৰতিটো চৰকাৰী বিভাগকে নিজৰ দায়িত্বসমূহ নিয়াৰিকৈ পালন কৰিবলৈ সতৰ্ক কৰি দিয়া হয়। তদুপৰি চলিত মাহত সংঘটিত পথ দুৰ্ঘটনাৰ তথ্য প্ৰদান কৰি যোৱা মাহত হোৱা এনে দুৰ্ঘটনাৰ সংখ্যাৰ সৈতে তুলনামূলক বিশ্লেষণ কৰা হয়।

০০০০

কাৰ্বি আংলং জিলাৰ বোকাজান আৰক্ষী থানাৰ অন্তৰ্গত কুলিগাঁৱত আজি আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ নিষিদ্ধ নিচাযুক্ত টেবলেট জব্দ কৰাৰ লগতে এজন লোকক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা লোকজনৰ নাম চাৰলংকি ৰংফাৰ বুলি আৰক্ষী সূত্ৰই জানিবলৈ দিছে। ধৃত যুৱকজনৰ জিম্মাৰ পৰা ১৪ কিলোগ্ৰাম ওজনৰ ১৮ হাজাৰ নিচাযুক্ত টেবলেট আৰক্ষীয়ে জব্দ কৰে।

০০০০

কামৰূপ জিলাৰ মুক্তাপুৰ নসত্ৰত আজি আবেলি এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। বাইহাটা চাৰিআলিৰ গোৰেশ্বৰ পথত সংঘটিত এই দুৰ্ঘটনাটোত এখন ডাম্পাৰে মাতৃ-পুত্ৰক মহতিয়াই নিয়ে। সংকটজনক অৱস্থাত মাতৃ কমলেশ্বৰী ৰাজবংশী আৰু পুত্ৰ কিশোৰ ৰাজবংশীক এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। ইফালে ঘটনা সংঘটিত হোৱাৰ পিছতে উত্তেজিত ৰাইজে সেই পথেৰে চলাচল কৰা কেইবাখনো ডাম্পাৰ ভাঙি চুৰমাৰ কৰে।

০০০০

বেংগালুৰুৰ কান্তিৰাম ষ্টেডিয়ামত অনুষ্ঠিত ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিকছত অসমৰ দলটোৱে ৫০টাৰো অধিক পদক লাভ কৰিছে। কলিয়াবৰৰ প্ৰবীণ খেলুৱৈ মিনু শইকীয়াই লং জাম্প আৰু হাই জাম্পত দুটাকৈ সোণৰ

পদক লাভ কৰে। উল্লেখযোগ্য যে যোৱা ৪ মাৰ্চৰ পৰা ৯ মাৰ্চলৈ অনুষ্ঠিত এই প্ৰতিযোগিতাত ৰাজ্যৰ ভিন্ন জিলাৰ ৯৪ গৰাকী প্ৰবীণ খেলুৱৈয়ে অংশগ্ৰহণ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ